জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ৩৫৫/২০২১

# জালুকবাৰী সমষ্টিৰ সদ্যপ্ৰয়াত কেইবগাৰীও বিশিষ্ট ব্যক্তিৰ পৰিয়ালক সাক্ষাৎ কৰি পৰিয়ালবৰ্গক সমবেদনা জ্ঞাপন কৰিলে মুখ্যমন্ত্ৰীয়ে

**দিছপুৰ, ২২ নৱেম্বৰ ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি গৃহসমষ্টি জালুকবাৰীৰ কেইবাগাৰীও সদ্যপ্ৰয়াত বিশিষ্ট ব্যক্তিৰ বাসগৃহত উপস্থিত হৈ শোকসন্তপ্ত পৰিয়ালসমূহক সাক্ষাৎ কৰি সমবেদনা জ্ঞাপন কৰে। মুখ্যমন্ত্ৰী শৰ্মাই প্ৰথমে বাইহাটা চাৰিআলিৰ অন্তৰ্গত আগদলা গাঁৱত উপস্থিত হৈ অঞ্চলটোৰ বিশিষ্ট সমাজকৰ্মী প্ৰয়াত দেবেন শৰ্মাৰ পৰিয়ালৰ সৈতে মত-বিনিময় কৰি সমবেদনা জ্ঞাপন কৰে। ইয়াৰ পিছতে মুখ্যমন্ত্ৰীয়ে  মান্দাকাটাৰ শিমেলীবাৰী গাঁৱৰ প্ৰয়াত আমজাদ আলীৰ বাসগৃহত উপস্থিত হৈ পৰিয়ালক সাক্ষাৎ কৰে। মান্দাকাটা গাঁও পঞ্চায়তৰ সভাপতি হিচাপে অঞ্চলটোৰ উন্নয়নৰ বাবে প্ৰয়াত আলীয়ে লোৱা পদক্ষেপৰ ৰোমন্থন কৰাৰ লগতে মুখ্যমন্ত্ৰীয়ে অঞ্চলটোৰ বিকাশৰ বাবে তেখেতে আগবঢ়োৱা ভূমিকাৰ বাবে ৰাইজৰ মাজত তেখেতে সদায়ে জীয়াই থাকিব বুলি মত পোষণ কৰে। মুখ্যমন্ত্ৰী ড° শৰ্মাই উত্তৰ গুৱাহাটীৰ ৰজাদুৱাৰৰ প্ৰতিষ্ঠিত ব্যৱসায়ী প্ৰয়াত অমূল্য বৰা আৰু বিশিষ্ট সমাজকৰ্মী প্ৰয়াত শচীন ভূঞাৰ বাসগৃহত উপস্থিত হৈ  পৰিয়ালবৰ্গৰ সৈতে মত-বিনিময় কৰে। ৰজাদুৱাৰ অঞ্চলৰ বিভিন্ন সামাজিক অনুষ্ঠানৰ সৈতে ওতপ্ৰোতভাৱে জড়িত এই দুয়োগৰাকী বিশিষ্ট ব্যক্তি দৌলগোবিন্দ মন্দিৰ পৰিচালনা সমিতিৰ সৈতে সুদীৰ্ঘ সময়  জড়িত হৈ আছিল। মুখ্যমন্ত্ৰী ড° শৰ্মাই আজি উত্তৰ গুৱাহাটীৰে শিলসাঁকোৰ এগৰাকী বিশিষ্ট ভাস্কৰ্য শিল্পী তথা চিত্ৰকৰ প্ৰয়াত ৰবীন দাসৰ পৰিয়ালকো সাক্ষাৎ কৰে। তদুপৰি শুৱালকুছিৰ অন্তৰ্গত গন্ধমৌত উপস্থিত হৈ মুখ্যমন্ত্ৰীয়ে অঞ্চলটোৰ প্ৰয়াত সমাজকৰ্মী কবিন দাসৰ পৰিয়ালৰ সৈতেও মত-বিনিময় কৰি সমবেদনা জ্ঞাপন কৰে।

**বীঃগঃ**
**২২-১১-২০২১**